**NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 12-02-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

বিনিয়োগ সন্মিলন এডভাণ্টেজ আসামৰ দ্বিতীয় সংস্কৰণলৈ বিদেশী বিনিয়োগকাৰীসকলক আকৰ্ষিত কৰাৰ উদ্দেশ্য ছিংগাপুৰলৈ যোৱা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই আজি দেশখনৰ উপ প্ৰধানমন্ত্ৰী তথা বাণিজ্য আৰু উদ্যোগ মন্ত্ৰী এইচ ই গান কীম ইয়ঙক সাক্ষাৎ কৰে। সাক্ষাৎ কালত ডঃ শৰ্মাই জ্ঞান আধাৰিত অৰ্থব্যৱস্থা, ছেমী কনডাক্টৰ, দক্ষতা বিকাশ, সেউজ শক্তি ক্ষেত্ৰত অধিক সহযোগিতাৰে ভাৰত-আছিয়ান সৰ্বাত্মক কৌশলগত সহযোগিতাৰ কেন্দ্ৰ বিন্দু ৰূপে পৰিগণিত হোৱাৰ বাবে অসমে চলোৱা প্ৰচেষ্টাৰ বিষয়ে আলোকপাত কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে লগতে ছিংগাপুৰৰ ছেমি কনডাক্টৰ আৰু অন্য উদ্যোগৰ সৈতে জড়িত ব্যক্তিসকলৰ সৈতেও বৈঠকত মিলিত হয়। ০০০

০০০০০০

মহাবীৰ চিলাৰায়ৰ ৫১৫ সংখক জয়ন্তী উপলক্ষে আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত কাৰ্যসূচী গ্ৰহণ কৰা হৈছে। সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত, দৰং জিলা প্ৰশাসন, কোচ-ৰাজবংশী উন্নয়ন পৰিষদ আৰু সদৌ অসম কোচ ৰাজবংশী সন্মিলনৰ সহযোগত মঙলদৈৰ গান্ধী মৈদানত আজি কেন্দ্ৰীয় কাৰ্যসূচী গ্ৰহণ কৰা হৈছে।

সদৌ ডিব্ৰুগড় জিলা কোচ ৰাজবংশী ছাত্ৰ সন্থা আৰু বিজেপি ডিব্ৰুগড় জিলা সমিতিয়ে আজিৰ পৰা ডিব্ৰুগড়ত দুদিনীয়া কাৰ্যসূচীৰে এই দিৱসৰ আয়োজন কৰিছে। অনুষ্ঠানত কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ লগতে ৰাজ্যৰ কেইবাগৰাকীও মন্ত্ৰী আৰু অন্যান্য বিশিষ্ট ব্যক্তি উপস্থিত থকাৰ কথা। কাৰ্যসূচীৰ অংশহিচাপে বিশিষ্ট কবি বিজু শৰ্মাক বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব। এই অনুষ্ঠানত কমতা শীৰ্ষক স্মৃতিগ্ৰন্থ উন্মোচন কৰা হ'ব বুলি উদ্যোক্তাসকলে প্ৰকাশ কৰিছে।

চিৰাং জিলাতো আজি শৌৰ্য আৰু বীৰত্বৰ প্ৰতিভূ কোচ ৰাজ্যৰ সেনাপতি মহাবীৰ চিলাৰায়ৰ জয়ন্তী পালন কৰা হৈছে। বিজেপিৰ চিৰাং জিলা সমিতিয়ে আজি দলটোৰ জিলা কাৰ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে দিৱসৰ আয়োজন কৰিছে। একেদৰে সদৌ কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ বিজনী মহকুমা সমিতিৰ কাৰ্যালয়ৰ প্ৰাংগণত কেইবাটাও সংগঠন কেন্দ্ৰীয়ভাৱে এই অনুষ্ঠানৰ আয়োজন কৰিছে। কোচ ৰাজবংশী জাতীয় পৰিষদে বিজনীৰ চোৰাৰী বড়িপাৰাত চিলাৰায় দিৱস উদযাপন কৰিছে। বঙাইগাঁও জিলাৰ বিভিন্ন স্থানত দিনজোৰা কাৰ্যসূচীৰে চিলাৰায় দিৱস উদযাপন কৰা হৈছে। জিলাখনৰ খোড়াগাঁও ৰাজহুৱা খেলপথাৰত কেইবাটাও সংগঠণৰ উদ্যোগত এই অনুষ্ঠানৰ আয়োজন কৰা হৈছে। একেদৰে কমতাপুৰ স্বায়ত্ত শাসিত পৰিষদৰ উদ্যোগতো দিৱস উদযাপন দিহা কৰা হৈছে। এই অনুষ্ঠানত কোচ ৰাজবংশী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক সভাপতি অৰুণ কুমাৰ ৰায়ক মৰণোত্তৰভাৱে চলিত বৰ্ষৰ বীৰ চিলাৰায় বঁটা প্ৰদান কৰা হ'ব।

০০০০০০০

গুৱাহাটী জল বোৰ্ডৰ ক্ষেত্ৰসীমাৰ ভিতৰত থকা এলেকাসমূহত আজিৰে পৰা তিনিটা পৰ্যায়ত পানী যোগান ব্যাহত হ'ব বুলি জল বোৰ্ডে এখন জাননীযোগে প্ৰকাশ কৰিছে। প্ৰথম পৰ্যায়ত আজিৰে পৰা ১৫ ফেব্ৰুৱাৰীলৈ, দ্বিতীয় পৰ্যায়ত ১৯ৰ পৰা ২২ ফেব্ৰুৱাৰীলৈ আৰু তৃতীয় পৰ্যায়ত ২৫ৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈ পানী যোগান বন্ধ থাকিব। এই সময়ছোৱাত পানী যোগান ব্যৱস্থাত থকা আসোঁৱাহসমূহ পৰীক্ষাৰ বাবে ৰবটিক জৰীপ চলোৱা হ'ব বুলি জাননীখনত উল্লেখ কৰা হৈছে।

০০০০০

ৰাজ্যত কাইলৈৰ পৰা হ'বলগীয়া উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ বাবে সকলো প্ৰস্তুতি সম্পূৰ্ণ হৈ উঠিছে। এইবাৰ মুঠ ৩ লাখ ৬ হাজাৰ ৮৪১ গৰাকী পৰিক্ষাৰ্থী এই পৰীক্ষাত অৱতীৰ্ণ হ'ব। ৰাজ্যৰ মুঠ ৮৫৬টা পৰীক্ষা কেন্দ্ৰত পৰীক্ষা অনুষ্ঠিত হ'ব। এই পৰীক্ষা নিয়াৰিকৈ অনুষ্ঠিত কৰাৰ বাবে ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষা আৰু অহা ১৫ ফেব্ৰুৱাৰীৰ পৰা হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ পৰিপ্ৰেক্ষিতত বিদ্যালয় শিক্ষা বিভাগে ইতিমধ্যে দুখনকৈ গুৰুত্বপূৰ্ণ সমিতি গঠন কৰিছে। ৰাজ্যিক পৰ্যায়ৰ পৰীক্ষা পৰ্যবেক্ষণ সমিতি আৰু জিলা পৰ্যায়ৰ পৰীক্ষা পৰ্যবেক্ষণ সমিতিৰ তত্বাৱধানত হ'বলগীয়া এই পৰীক্ষাত মোবাইল ফোনকে ধৰি সকলো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰত বাধা আৰোপ কৰা হৈছে। পৰীক্ষা কেন্দ্ৰত কেন্দ্ৰৰ নিৰীক্ষক, নিৰাপত্তা বিষয়া, তৃতীয় আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰীসকলেও কোনো ধৰণৰ ইলেকট্ৰনিক সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰিব। পৰীক্ষাৰ সময়ত যাতে কোনো ধৰণৰ অপ্ৰীতিকৰ ঘটনা সংঘটিত নহয় তাৰ প্ৰতি লক্ষ্য ৰাখি সংশ্লিষ্ট জিলাৰ জিলা আয়ুক্তসকলে ভাৰতীয় ন্যায় সংহিতাৰ ১৬৩ ধাৰাৰ অধীনত কেতবোৰ বাধা-নিষেধ আৰোপ কৰিছে। সেই অনুসৰি পৰীক্ষা কেন্দ্ৰৰ ১০০ মিটাৰ ব্যাসাৰ্ধত পৰিক্ষাৰ্থীৰ বাহিৰে আন লোকৰ প্ৰৱেশত নিষেধাজ্ঞা আৰোপ কৰা হৈছে।

০০০০০০

অসমৰ নয়নমণি শইকীয়াই অনন্য অভিলেখ গঢ়ি ক্ৰমাগত ৫ খন ৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাত স্বৰ্ণ পদক জয় কৰিছে। উত্তৰাখণ্ডত অনুষ্ঠিত ৩৮ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমোৰোহৰ মহিলাৰ ল'ন বলৰ ডাবলছত সোণৰ পদক অৰ্জন কৰি ক্ৰীড়াবিদগৰাকী এই কৃতিত্বৰ অধিকাৰী হয়। একেদৰে ৰাজ্যৰ আন এগৰাকী ল'নবল খেলুৱৈ বনগীতাই সৰ্বাধিক ৰাষ্ট্ৰীয় ক্ৰীড়াত অংশ লোৱাৰ অভিলেখ গঢ়িছে।২০০৭ চনত গুৱাহাটীত অনুষ্ঠিত ৩৩ সংখ্যক ৰাষ্ট্ৰীয় ক্ৰীড়া সমোৰোহত অংশ লৈ খেলুৱৈ জীৱনৰ পাতনি মেলা বনগীতাই ক্ৰমাগত ৬টা সংস্কৰণত অসমক প্ৰতিনিধিত্ব কৰিছে আৰু প্ৰতিটো সংস্কৰণতে পদক অৰ্জন কৰিবলৈ সক্ষম হৈছে। বনগীতাই ২০০৭ ৰ পৰা ২০২৫লৈকে ১৮ বছৰীয়া ক্ৰীড়া যাত্ৰাত ৰাষ্ট্ৰীয় ক্ৰীড়া সমোৰোহত ৪টা সোণৰ লগতে ৩টা ৰূপৰ পদক জয় কৰিছে। বনগীতাই এইবাৰ ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহৰ ল'ন বলৰ মহিলাৰ ডাৱলছত নয়মমণি শইকীয়াৰ সৈতে সোণৰ পদক লাভ কৰিছে।

অসমে এতিয়ালৈকে এই ৰাষ্ট্ৰীয় ক্ৰীড়া সমাৰোহত ৩৪টা পদক লাভ কৰিছে। অসম আৰু পাঞ্জাৱৰ মাজত কালি অনুষ্ঠিত মহিলাৰ নেটবল শিতানৰ তৃতীয় স্থান নিৰ্ণয়কাৰী খেলখন নিৰ্ধাৰিত সময়ত ২৩-২৩ ফলাফলত সমাপ্ত হোৱাত দুয়োটা দলকে ব্ৰঞ্জৰ পদক প্ৰদান কৰা হয়। অসমে এতিয়ালৈ ৩টা সোণ, ১৫টা ৰূপ আৰু ১৬টা ব্ৰঞ্জৰ পদক লাভ কৰিছে।

০০০০০০